# যোচিয়া ৰজাৰ দৰে, আমি ঈশ্বৰৰ বাক্যৰ ক্ষমতাক সন্মান কৰোঁ

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন A3b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** "পবিত্ৰ আত্মা, আমাৰ মন আলোকিত কৰি তোলা যেন সকলো হৃদয়ৰে সৈতে আমি তোমাৰ বাক্যবোৰ মানি চলিব পাৰো আৰু শিকিব পাৰোঁ। আনৰ আগত ইয়াক স্পষ্ট কৰি দিবলৈ সহায় কৰা, যেন তেওঁলোকে আমাৰ আনন্দৰ অংশীদাৰ হ'ব পাৰে।"


১। **ঈশ্বৰৰ বাক্যৰ পৰা শিকিবলৈ আপোনাৰ হৃদয় যুগুত কৰক**

**২ বংশাৱলী ৩৪** অধ্যায়টো পঢ়ক আৰু বিচাৰি লওক।

- যোচিয়াই ঈশ্বৰৰ বাধ্য হ'বলৈ কেনেকৈ মানুহৰ ধৰ্ম্মীয় পৰম্পৰা ভঙ্গ কৰিছিল।

  *(উত্তৰ ঃ **৩-৭** পদলৈকে চাওক। যোচিয়াই লোকবিলাকৰ প্ৰতিমাবোৰক প্ৰত্যাখান কৰিছিল। আমিও, ঈশ্বৰৰ ৰখীয়াবিলাকে মানুহৰ পৰম্পৰা অনুসৰি নহয়, কিন্তু ঈশ্বৰক যিদৰে প্ৰয়োজন সেইদৰে চলোৱা হোৱা উচিত।)*
- ঈশ্বৰৰ বাক্য বিচাৰি ল'বলৈ যোচিয়াৰ লোকসকলে কিমান কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল।

  *(উত্তৰ ঃ **৮-১৫** পদলৈকে চাওক। অৱহেলিত মন্দিৰত ঈশ্বৰৰ বাক্য হেৰাই গৈছিল।)*
- আজি ঈশ্বৰৰ বাক্য মানুহৰ পৰা লুকুৱাই থোৱা হৈছে, য'ত আজিলৈকে কোনেও তেওঁলোকৰ নিজ নিজ ভাষাত শুদ্ধকৈ ইয়াক অনুবাদ কৰা নাই। অনেক অনুবাদকে সঠিক অনুবাদ যোগাবলৈ যথেষ্ট পৰিশ্ৰম কৰে।



**পূৰণিকালত কিতাপবোৰ নুৰিয়া পুথিত হাতেৰে লিখা হৈছিল।**

- শাস্ত্ৰ অধ্যয়ন কৰা সময়ত যোচিয়াই কেনেকৈ ঈশ্বৰৰ পৰা সহায় বিচাৰিছিল।

  *(উত্তৰ ঃ **২১-২৮** পদলৈকে চাওক। আমি বিশ্বাসীসকলৰ লগত পবিত্ৰ আত্মাই বাস কৰে আৰু আমাক সত্যলৈ পথ দেখুৱায় (যোহন **১৬ঃ১৩**) ঈশ্বৰৰ বাক্য অধ্যয়ন কৰা কালত আমাক আলোকিত কৰি তুলিবৰ বাবে তেওঁক আমি আবেদন জনাওঁ। (ইফিচীয়া **১ঃ১৫-১৮** পদ) )*
- যোচিয়া আৰু তেওঁ কৰা কামত ঈশ্বৰৰ বাক্যৰ যি ক্ষমতা আছে।

  *(উত্তৰ ঃ **৩০-৩৩** পদলৈকে চাওক। আমি ঈশ্বৰৰ প্ৰকাশক বিশ্বাসেৰে গ্ৰহণ কৰোঁ আৰু মানি চলো।)*

**মথি ৪ঃ১-১১ পদত** যীচুৱে কেনেকৈ চয়তানক প্ৰতিহত কৰিছিল বিচাৰি চাওক।

- কি তিনি ধৰণে চয়তানে যীচুক প্ৰলোভন দেখুৱাইছিল?
- প্ৰত্যেকটো প্ৰলোভনৰ পাচত চয়তানক উত্তৰ দিবলৈ যীচুৱে কি কৈছিল?

- তেওঁৰ প্ৰলোভনৰ পিচত কোনে যীচুৰ যত্ন ল’বলৈ আহিছিল ?

**পটভূমি**

- পবিত্ৰ আত্মাই ধাৰ্ম্মিক লোকবিলাকক ঈশ্বৰৰ বাক্য লিখিবলৈ অনুপ্ৰাণিত কৰিছিল। (১তীমথিয় ৩ঃ১৬-১৭)। পুৰণি নিয়মখন তেওঁলোকে ইব্ৰী ভাষাত আৰু নতুন নিয়মখন গ্ৰীক ভাষাত লিখিছিল।
- ইব্ৰী ভাষাটো সোঁফালৰ পৰা বাওফাললৈ পঢ়া হয়।

בְּרֵאשִׁית בָּרָא אֱלֹהִים אֵת הַשָּׁמַיִם וְאֵת הָאָרֶץ׃

- গ্ৰীক ভাষাটো বাওঁফালৰ পৰা সোঁফাললৈ পঢ়া হয়।

Ἐν ἀρχῇ ἦν ὁ λόγος, καὶ ὁ λόγος ἦν πρὸς τὸν θεόν, καὶ θεὸς ἦν ὁ λόγος.

- বাইবেলৰ অংশবোৰ আমি ভালকৈ বুজিব পাৰিম, যদিহে আমি জানো -

  কোনে, কালৈ আৰু কিয় লিখিছিল।

  ক’ত আৰু কেতিয়া ঘটনাবোৰ ঘটিছিল।

  শাস্ত্ৰাংশখিনিত কোনে কৈছিল।

  ই আমাক কি কৰিবলৈ যুগুত কৰে।

  বাইবেলেৰ কিছু পুৰণি অংশ আমি এইকাৰণেও বুজিব পাৰো, যদি পূৰণি ইস্ৰায়েলৰ ৰীতি-নীতি, বুৰঞ্জী আৰু ভূগোল আমি জানো। এই বিষয়ে আন পৌল-তীমথিয় ৰক্ষক আৰু ওপৰিঞ্চি অধ্যয়নৰ পৰা শিকক, (পৌল-তীমথিয় ব্যৱহাৰিক তালিকা, বাইবেল ভাগ চাওক।)

২। **সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ আঁচনি কৰক।**

- আপোনাৰ সহকৰ্ম্মীৰ সৈতে, সপ্তাহটোত ঈশ্বৰৰ বাক্য যত্নেৰে অধ্যয়ন আৰম্ভ কৰাত পৰিয়ালক সহায় কৰক।
- আপোনাৰ এলেকাত আপুনি কেনেকৈ অনুবাদ আৰু সাহিত্যৰ ক্ষেত্ৰত সহযোগ কৰিব পাৰে বিচাৰ কৰক।

৩। **সহকৰ্ম্মীসকলৰ সৈতে হ’বলগীয়া উপাসনাৰ আঁচনি কৰক।**

- স্থানীয় ৰীতি-নীতি আৰু প্ৰয়োজন অনুসৰি খাপ খুৱাকৈ কামবোৰ বাচি লওক।
- উপাসনাৰ সময়ত পবিত্ৰ আত্মাই ঈশ্বৰৰ বাক্যেৰে দলটিক পৰিচালনা কৰিবৰ বাবে প্ৰাৰ্থনা কৰক।
- তেওঁৰ বাক্যত সত্যক প্ৰকাশ কৰাৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰক। পবিত্ৰ আত্মাই কেনেকৈ পাৰহে যোৱা সপ্তাহটোত লোকসকলক আনন্দ আৰু পবিত্ৰতা বিচাৰি পোৱাত সহায় কৰিবলৈ বাইবেলখন ব্যৱহাৰ কৰিছিল সেই বিষয়ে সাক্ষ্য আৰু প্ৰতিবেদন দিবলৈ দিয়ক।

  যোচিয়া ৰজাৰ কাহিনীটো **কওক নাইবা নাটক কৰক।**

- ২য় বংশাৱলি ৩৪ অধ্যায়টো বৰ্ণনা কৰিবলৈ এজন সহায়কাৰী যুগুত কৰি লওক।
- প্ৰথমে, ঈশ্বৰৰ বাক্যই কেনেকৈ ইস্ৰায়েলৰ লোকসকলৰ জীৱন সলনি কৰিছিল তাক জানিবলৈ প্ৰত্যেকজনকে মনোযোগ দি শুনিবলৈ কওক। তেওঁবিলাকে কি আৱিষ্কাৰ কৰিলে বিশ্বাসীসকলক সোধক। ওপৰৰ প্ৰথম ভাগত দিয়া প্ৰশ্নকেইটা সোধক।

  ঈশ্বৰৰ বাক্যই কিদৰে আমাৰ মন আলোকিত কৰি তোলে তাৰে নাটক কৰি দেখুৱাওক।

**শিক্ষাৰ্থী ঃ** এখন মেজত এটি মমবাতি জ্বলাওক, তাৰ পিচত অন্যফালে চাওক।

**‘ভূত’ ঃ**

- মমবাতিডালৰ ওচৰলৈ যাওক, নুমাই দিয়ক আৰু বেয়াকৈ হাঁহক।

- শিকোঁতাজনৰ চকুৰ ওপৰত এখন কাপোৰ বান্ধি দিয়ক, তেওঁক হাতেৰে ধৰি লৈ যাওক, কওক "আহাঁ"। (খোজ দিয়া)
- মানুহবিলাকলৈ আঙুলিয়াওক আৰু এই কবিতাটি পঢ়ক নাইবা আবৃত্তি কৰক। (আপুনি যদি ভূতৰ কবিতাটি অনুবাদ কৰে, তেনেহ'লে কবিতাটিৰ ছন্দখিনি সংৰক্ষণ কৰি থোৱাৰ প্ৰয়োজন নাই।)

"মূৰ্খবোৰ তহঁতে মোৰ শত্ৰুক মানি চল! মই তহঁতৰ সাহসীক ৰাজদ্ৰোহক দমন কৰিম!

চাই থাক, মই তহঁতক মানুহ জাতিৰ পৌৰাণিক দস্তুৰ শিকাই তেওঁৰ বাক্যৰ পৰা ঘূৰাই আনিম!

তহঁত মৰণশীলবোৰে সেইজন, যাৰ পাণ পাত্ৰই নৰকৰ অগ্নিৰ পৰা তহঁতক উদ্ধাৰ কৰে, তেওঁৰ লগত আহাৰ কৰিলৈ সাহস কৰ?

মই তহঁতক সাৱধান কৰি দিওঁ, বিৰুদ্ধাচৰণ কৰিবলৈ বন্ধ কৰা, নহ'লে নৰকৰ প্ৰচণ্ড ক্ৰুদ্ধিত হুলৰ বিন্ধা অনুভৱ কৰিবি!"

**প্ৰচাৰক** (চিঞঁৰি কওক)

- "ভূত ৰ'! নহ'লে দ' খাৰৈত পৰি যাবি!"
- ২ কৰিন্থীয়া ৪ঃ৪ পদটো পঢ়ক (এই জগতৰ ঈশ্বৰে আমাক অন্ধ কৰি দিছে)
- মমবাতিডাল জ্বলাওক আৰু 'ভূত আৰু শিক্ষাৰ্থীজনৰ সন্মুখত বাইবেলখনৰ ওপৰত ধৰি ৰাখক।

**"ভূত" ঃ** বেদনাত কান্দি উঠে আৰু সঙ্কুচিত হৈ পৰে। আপোনাৰ চকু ঢাকি থওক আৰু চিঞঁৰি কওক, "সেই ভয়ানক পোহৰটো আঁতৰাই লৈ যোৱা!" (গুছি যাওক)

**প্ৰচাৰক ঃ** "এই জগতৰ ঈশ্বৰ চয়তানে আপোনাৰ চকুৰ ওপৰত পটি বান্ধি দিছিল।" (খুলি দিয়ক)

**শিক্ষাৰ্থী ঃ** "মোৰ যে চকু দুটি বন্ধা হৈ আছে, মই জনা নাছিলো।" (বাইবেলখন লওক আৰু যোহন ১৬ঃ১৩-১৪ পদ কেইটা পঢ়ক।)

**একেলগে মুখস্থ কৰক** মথি ৪ঃ৪ পদ

ল'ৰা-ছোৱালীবিলাকক তেওঁলোকে যুগুত কৰা প্ৰশ্নবিলাক আৰু কাব্য-নাটিকাখন পৰিবেশন কৰিবলৈ দিয়ক।

সপ্তাহটোত আপুনি কৰিব বিচৰা কামখিনিৰ বিষয়ে জনাই দিয়ক।

প্ৰভুৱে শিকোৱা প্ৰাৰ্থনাটো পৰিচিত কৰি দিবৰ বাবে ২ বংশাৱলি ৩০ঃ৫-৬ পদ আৰু ২৫-২৭ পদ কেইটা পঢ়ি দিয়ক। এই কথাটো বুজাই দিয়ক যে, প্ৰভু যীচু খ্ৰীষ্ট অহাৰ আগতে ঈশ্বৰৰ লোকসকলে তেওঁলোকক ঈশ্বৰে কেনেকৈ মিচৰ দেশত বন্দী হৈ থকাৰ পৰা উদ্ধাৰ কৰিলে, এই কথা সুৱঁৰিবলৈ মেৰ পোৱালী উৎসৰ্গ কৰিছিল আৰু তাক খাইছিল। এতিয়া, যীচু খ্ৰীষ্টই হৈছে সেই মেৰ পোৱালী যিজনে আমাৰ পাপ বৈ নিলে।

**দুই বা তিনিজন একেলগে গোট খাওক**। প্ৰাৰ্থনা কৰক, পৰিকল্পনাবোৰ নিশ্চিত কৰক আৰু ইজনে সিজনক উদ্‌গাওক।

Copyright © 2003 by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net